
আন্তঃৰাষ্ট্ৰীয়

# ট্ৰাম্পৰ দলৰ নিৰ্বাচনী বিপৰ্যয়ক লৈ ইৰানৰ প্ৰতিক্ৰিয়া, ‘যুদ্ধক নাকচ কৰিছে আমেৰিকাৰ জনতাই’

ইৰাণৰ সংসদৰ অধ্যক্ষ মহম্মদ বাকেৰ গালিবাফে মাৰ্কিন মধ্যৱৰ্তী নিৰ্বাচনত ৰিপাব্লিকানৰ পিছ পৰাৰ খবৰক যুদ্ধবিৰোধী জনমত বুলি ক'লে।

প্ৰকাশ: ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩৭




(AFP)

৪ নৱেম্বৰ: আমেৰিকাৰ মধ্যকালীন নিৰ্বাচনত ৰিপাব্লিকান দলৰ শোচনীয় প্ৰদৰ্শনক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ইৰানে। ইৰানৰ সংসদৰ অধ্যক্ষ মহম্মদ বাঘেৰ গালিবাফে দাবী কৰিছে যে আমেৰিকাৰ জনতাই যুদ্ধক নাকচ কৰিছে। জীৱন-যাপনৰ ব্যয় বৃদ্ধি আৰু যুদ্ধৰ পৰিস্থিতিৰ মাজতে ভোটাৰে নিজৰ মত প্ৰকাশ কৰা বুলি তেওঁ মন্তব্য কৰে।

গালিবাফে কয় যে আমেৰিকাৰ চৰকাৰে নিজৰ নাগৰিকৰ ইচ্ছাৰ বিৰুদ্ধে যোৱা উচিত নহয়। তেওঁৰ মতে, নিৰ্বাচনৰ ফলাফলে যুদ্ধ আৰু ক্ৰমবৰ্ধমান জীৱন-যাপনৰ ব্যয়ক লৈ আমেৰিকাৰ জনতাৰ অসন্তুষ্টি প্ৰতিফলিত কৰিছে।

ইফালে, নিৰ্বাচনী ফলাফলক লৈ ইৰানে সামাজিক মাধ্যমতো ব্যংগাত্মক প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ‘Iran in India’ নামৰ এটা একাউণ্টৰ পৰা প্ৰকাশ কৰা ভিডিঅ’ত কেইজনমান লোকে ড’নাল্ড ট্ৰাম্পৰ প্ৰতিচ্ছবি এখন

তুলি নি আৱর্জনাৰ পাত্রত পেলাই দিয়া দেখা গৈছে। ভিডিঅ'টোৰ জৰিয়তে আমেৰিকাৰ নিৰ্বাচনী ফলাফলক লৈ ট্ৰাম্পক ব্যংগ কৰা হৈছে।

আমেৰিকা আৰু ইৰানৰ মাজত চলি থকা যুদ্ধই দেশখনৰ ৰাজনীতি আৰু অৰ্থনীতিত প্ৰভাৱ পেলাইছে। যুদ্ধৰ পৰিস্থিতিৰ বাবে হৰমুজ প্ৰণালীৰে তেলৰ যোগান ব্যাহত হোৱাৰ লগতে বিশ্বৰ বজাৰত খাৰুৱা তেল আৰু পেট্ৰ'লৰ মূল্য বৃদ্ধিৰ চাপ সৃষ্টি হৈছে। ইয়াৰ উপৰি, আমেৰিকাৰ সেনা জোৱানৰ হতাহতৰ ঘটনাইয়ো দেশখনৰ জনতাৰ মাজত অসন্তুষ্টি বৃদ্ধি কৰিছে।

আনহাতে, টেক্সাছৰ ৰাজনীতিতো উল্লেখযোগ্য পৰিৱৰ্তন দেখা গৈছে। ৩৬ বছৰৰ পাছত ৰাজ্যখনৰ গৱৰ্ণৰৰ পদ ডেম'ক্ৰেটিক পাৰ্টিয়ে লাভ কৰিছে। দলটোৰ প্ৰাৰ্থী জিনা হিনোজোছাই প্ৰায় ৫৬.৮ শতাংশ ভোট লাভ কৰিছে।

উল্লেখ্য যে, যুদ্ধ আৰু জীৱন-যাপনৰ ব্যয় বৃদ্ধি আমেৰিকাৰ নিৰ্বাচনত চৰ্চিত বিষয় হৈ পৰিছে। ইৰানৰ সংসদৰ অধ্যক্ষৰ মন্তব্যই নিৰ্বাচনী ফলাফলক লৈ দুয়োখন দেশৰ মাজৰ ৰাজনৈতিক বাকযুদ্ধক পুনৰ চৰ্চালৈ আনিছে।

---

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/666/iran-links-us-midterm-result-war-opposition